# অৰূপা পটঙ্গীয়া কলিতাৰ *ফেলানী* উপন্যাসত নিম্নবৰ্গীয় সমাজ আৰু নাৰীৰ স্বাস্থ্য

*ড° বৰ্ণালী গগৈ, * ড° বিদিশা বুঢ়াগোহাঁই*

অসমীয়া বিভাগ, জগন্নাথ বৰুৱা মহাবিদ্যালয়(স্বতন্ত্ৰ), অসম, পিন- ৭৮৫০০১

**Correspondence* : E-mail : bidishaburagohain@gmail.com

**সংক্ষিপ্তসাৰ**

নিম্নবৰ্গীয় ইতিহাসতত্ত্ব হৈছে এক উত্তৰ ঔপনিৱেশিক ধাৰণা। ইটালীৰ মাৰ্ক্সবাদী লেখক আৰু দাৰ্শনিক আন্টোনিও গ্ৰামছিয়ে নিম্নবৰ্গ (Subaltern) শব্দটো পোনপ্ৰথমে তেখেতৰ ৰচনাত ব্যৱহাৰ কৰি ইয়াৰ ব্যাখ্যা আগবঢ়াইছিল। গ্ৰামছিৰ অধ্যয়নৰ আঁত ধৰিয়ে ভাৰতবৰ্ষতো বিংশ শতিকাৰ শেষ দশকত ৰণজিৎ গুহৰ হাতত পোনপ্ৰথমে নিম্নবৰ্গীয় ইতিহাসতত্ত্বৰ আলোচনাৰ প্ৰসংগটোৱে বিকাশ লাভ কৰে। ভাৰতবৰ্ষৰ ইতিহাস চৰ্চাৰ ক্ষেত্ৰত সদায়ে অৱহেলিত হৈ অহা নিম্নবৰ্গীয় বিভিন্ন শ্ৰেণী আৰু গোষ্ঠীৰ কণ্ঠস্বৰ ইতিহাসৰ পাতত প্ৰতিষ্ঠা কৰাই হ'ল এই ইতিহাস চৰ্চাৰ প্ৰাথমিক উদ্দেশ্য। ভাৰতবৰ্ষত গঢ় লৈ উঠা এই নিম্নবৰ্গীয় ইতিহাসতত্ত্বৰ আধাৰতে অৰূপা পটঙ্গীয়া কলিতাৰ *ফেলানী* উপন্যাসত বৰ্ণিত নিম্নবৰ্গীয় সমাজ আৰু এই সমাজৰ নাৰীসকলৰ স্বাস্থ্য সম্পৰ্কে অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰা হৈছে। আলোচ্য বিষয়টিত উপন্যাসখনত বৰ্ণিত নিম্নবৰ্গীয় সমাজখনৰ দৃষ্টিৰে অসমৰ ইতিহাসত ঘটা বিভিন্ন জাতীয়তাবাদী আন্দোলনৰ স্বৰূপক বিচাৰ কৰি চাবলৈ প্ৰয়াস কৰা হৈছে। আন্দোলনে গৰকি যোৱা নিম্নবৰ্গীয় সমাজ এখনৰ যি কাহিনী উপন্যাসখনত বৰ্ণনা কৰিছে,তাত কাল্পনিকতা থাকিলেও সেই সমাজখন অসমবাসীৰ তেনেই চিনাকি। নিম্নবৰ্গীয় সমাজখনৰ নাৰীৰ স্বাস্থ্য সম্পৰ্কীয় আলোচনাৰ প্ৰসংগত তেওঁলোকৰ দৈহিক আৰু মানসিক স্বাস্থ্যত বিভিন্ন কাৰকসমূহৰ প্ৰভাৱ যেনে — আন্দোলনৰ শৰণাৰ্থীসকল থকা শিবিৰৰ অস্বাস্থ্যকৰ পৰিৱেশ, অসুৰক্ষিত যৌনাচাৰ, নাৰীৰ মনোজগতত জাতীয়তাবাদী আন্দোলন আৰু পাৰিবাৰিক সংঘাতৰ প্ৰভাৱ, নিম্নবৰ্গীয় সমাজৰ নাৰীসকলৰ স্বাস্থ্যৰ প্ৰতি অসচেতন মনোভাৱ আদিক অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰা হৈছে।

বীজ শব্দ ঃ ফেলানী, উপন্যাস, নিম্নবৰ্গীয়, সমাজ, নাৰী, স্বাস্থ্য।





**০.০ অৱতৰণিকা ঃ**

অৰূপা পটঙ্গীয়া কলিতাৰ *ফেলানী* (২০০৩) বস্তি অঞ্চলত বাস কৰা লোকসকলৰ জীৱন যুদ্ধৰ কাহিনী। জীৱনৰ বিভিন্ন ঘটনা আৰু পৰিস্থিতিৰ চাকনৈয়াত পৰি জাতি -ধৰ্ম- বৰ্ণ নিৰ্বিশেষে ন-মাটি ভাঙি মূৰৰ ওপৰত ছাল এখন দি নিৰ্মাণ কৰা এই লোকসকলৰ বস্তিখন কাল্পনিক। বস্তিখন কাল্পনিক হ'লেও এই লোকসকলৰ জীৱনৰ সৈতে জড়িত বিভিন্ন ঘটনা পৰিঘটনাসমূহ তেজে ধোৱা অসমৰ সজীৱ ইতিহাস। উপন্যাসখনৰ নাম চৰিত্ৰত থকা ফেলানীক উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ যেন লাগিলেও বস্তিখনত বাস কৰা নিম্নবৰ্গৰ মানুহখিনিৰ জীৱন সংগ্ৰামৰ কাহিনীয়েই হ'ল উপন্যাসখনৰ মূল উপজীৱ্য বিষয়। নিম্নবৰ্গৰ এই মানুহখিনিৰ জীৱন কাহিনীৰ সৈতে ঔপন্যাসিকাই খুব সচেতনভাৱে ভাৰত ত্যাগ আন্দোলন, ভাষা আন্দোলন, বড়ো আন্দোলন, আলফা, ছালফাৰ সৈতে জড়িত বিক্ষিপ্ত ঘটনাসমূহ অংকন কৰিছে। অসমৰ ইতিহাসত খোদিত হোৱা তথা নতুন অসম গঢ়াৰ স্বাৰ্থত গঢ়ি উঠা জাতীয়তাবাদী আন্দোলনৰ প্ৰভাৱ নিম্নবৰ্গ লোকসকলৰ ওপৰত কেনেদৰে পৰিছিল, সেই বৰ্ণনা উপন্যাসখনত পোৱা যায়। নিম্নবৰ্গীয় ইতিহাসতত্ত্বই দলিত, নিম্নবৰ্গ, শ্ৰমিক, অধীনস্থ লোকৰ দৃষ্টিকোণৰ পৰা ইতিহাস লেখন আৰু বিশ্লেষণৰ পোষকতা কৰে। অৰূপা পটঙ্গীয়া কলিতায়ো *ফেলানী* উপন্যাসত সমাজত সদায়ে দলিত, বিভিন্নধৰণে তথাকথিত উচ্চবৰ্গৰ দ্বাৰা অধীনস্থ হৈ থকা বিভিন্ন নিম্নবৰ্গীয় শ্ৰেণীৰ জীৱন চৰ্যা আৰু চেতনাৰ মাজেৰে অসমৰ ইতিহাসত ঘটা বিক্ষিপ্ত ঘটনাসমূহ বিশ্লেষণ আগবঢ়াইছে। উপন্যাসত বৰ্ণিত নিম্নবৰ্গীয় লোকৰ জীৱন যুদ্ধৰ মাজেৰে জাতি-ভেটি-মাটিৰ কথা কোৱা জাতীয়তাবাদী আন্দোলনসমূহৰ প্ৰকৃত স্বৰূপক দাঙি ধৰিছে। আলোচনাটিত নিম্নবৰ্গীয় ইতিহাসতত্ত্বৰ দৃষ্টিকোণেৰে *ফেলানী* উপন্যাসত বৰ্ণিত নিম্নবৰ্গীয় সমাজখনৰ আলোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

নিম্নবৰ্গীয় সমাজখনত জীৱন জীয়াৰ যুদ্ধত পুৰুষৰ সমানে সমানে নাৰীসকলেও কষ্ট কৰিব লগা হয়। কাৰণ এজনীয়া উপাৰ্জনেৰে তেওঁলোকৰ ভাত-কাপোৰৰ জোৰা মাৰিব নোৱাৰে। দিনৰ দিনটো পৰিয়াল পোহ-পালৰ নামত কষ্ট কৰা এই নাৰীসকল ঘৰ আৰু সমাজ সকলোতে শোষিত হ'ব লগা হয়। পাৰিবাৰিক জীৱন আৰু বহিৰ্সমাজত ঘটা বিভিন্ন পৰিস্থিতি আৰু ঘটনাই তেওঁলোকৰ দৈহিক আৰু মানসিক স্বাস্থ্যত কিদৰে প্ৰভাৱ পেলায় সেইবিষয়ে *ফেলানী* উপন্যাসখনৰ আধাৰত নিম্নবৰ্গীয় নাৰীৰ স্বাস্থ্য সম্পৰ্কে বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**০.১ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

'অৰূপা পটঙ্গীয়া কলিতাৰ *ফেলানী* উপন্যাসত নিম্নবৰ্গীয় সমাজ আৰু নাৰীৰ স্বাস্থ্য'- শীৰ্ষক বিষয়টি অধ্যয়নৰ উদ্দেশ্য হ'ল —

(ক) নিম্নবৰ্গীয় ইতিহাসতত্ত্বৰ দৃষ্টিৰে *ফেলানী* উপন্যাসত বৰ্ণিত নিম্নবৰ্গীয় সমাজৰ স্বৰূপ দাঙি ধৰা।

(খ) ইতিহাস লেখন আৰু বিশ্লেষণৰ ক্ষেত্ৰত নিম্নবৰ্গীয় সমাজৰ জীৱন-চৰ্যা আৰু চেতনাৰ গুৰুত্ব বিচাৰ কৰা।

(গ) নিম্নবৰ্গীয় সমাজত নাৰীসকলে ভোগ কৰা দৈহিক আৰু মানসিক স্বাস্থ্য সম্পৰ্কে আলোচনা কৰা।

(ঘ) নিম্নবৰ্গীয় সমাজত নাৰীসকলৰ স্বাস্থ্যৰ প্ৰতি অসচেতন মনোভংগী বিচাৰ কৰা।

নিম্নবৰ্গীয় শ্ৰেণীসমূহ সমাজত সদায়ে বিভিন্ন ধৰণে শোষিত আৰু শাসিত হৈ আহিছে। তেওঁলোকৰ জীৱন-চৰ্যা আৰু স্বকীয় চিন্তা-চেতনাক কেতিয়াও সমাজৰ ইতিহাস ৰচনাত গুৰুত্ব দিয়া নহয়। তেওঁলোক উচ্চবৰ্গীয় সমাজৰ চিন্তা-চেতনাৰদ্বাৰা পৰিচালিত হ'লেও সমাজৰ ইতিহাস ৰচনাত তেওঁলোকৰ সহযোগিতাক অস্বীকাৰ কৰিব

নোৱাৰি। অসমৰ ইতিহাসৰ সৈতে জড়িত বিভিন্ন জাতীয়তাবাদী আন্দোলনে কোবাই যোৱা এই মানুহখিনিৰ জীৱন-চৰ্যাৰ মাজেৰে অসমৰ ইতিহাসক বিচাৰ কৰাৰ ক্ষেত্ৰত আলোচিত বিষয়টিৰ গুৰুত্ব আছে। তদুপৰি উপন্যাসখনত বৰ্ণিত নিম্নবৰ্গীয় নাৰীসকলে ভোগ কৰা দৈহিক আৰু মানসিক কষ্টৰ আলোচনা মাজেৰে নাৰীসকলে সমাজত কিদৰে পদে পদে শোষিত হ'ব লগা হৈছে তাৰ বিচাৰ কৰাৰ ক্ষেত্ৰত বিষয়টো অধ্যয়নৰ গুৰুত্ব আছে।

**০.২ অধ্যয়নৰ পদ্ধতি ঃ**

অৰূপা পটঙ্গীয়া কলিতাৰ *ফেলানী* উপন্যাসত বৰ্ণিত নিম্নবৰ্গীয় সমাজ আৰু নাৰীৰ স্বাস্থ্য সম্পৰ্কে বিচাৰ কৰিবলৈ যাওঁতে নিম্নবৰ্গীয় ইতিহাসতত্ত্ব বিষয়টিক আলোচনাৰ মূল আধাৰ হিচাপে লোৱা হৈছে। উপন্যাসখনিত বৰ্ণিত নিম্নবৰ্গীয় সমাজ জীৱন আৰু নিম্নবৰ্গীয় নাৰীসকলৰ স্বাস্থ্যসম্পৰ্কীয় আলোচনাৰ প্ৰসংগত বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হৈছে।

**০.৩ অধ্যয়নৰ পৰিসৰ ঃ**

আলোচ্য বিষয়টিত *ফেলানী* উপন্যাসত বৰ্ণিত নিম্নবৰ্গীয় সমাজখনৰ স্বৰূপ দাঙি ধৰিবলৈ প্ৰয়াস কৰাৰ লগতে নিম্নবৰ্গীয় নাৰীসকলৰ দৈহিক আৰু মানসিক স্বাস্থ্য সম্পৰ্কীয় বিষয়কহে অধ্যয়নৰ পৰিসৰে সামৰি লৈছে।

**১.০ নিম্নবৰ্গীয় ইতিহাসতত্ত্ব ঃ**

বিংশ শতিকাৰ আশীৰ দশকত ভাৰতবৰ্ষৰ ইতিহাস চৰ্চাত নিম্নবৰ্গীয় ইতিহাসতত্ত্বৰ ধাৰণাটোৰ আৰম্ভণি ঘটে। ভাৰতবৰ্ষৰ ইতিহাস ৰচনা আৰু চৰ্চাৰ ক্ষেত্ৰত অৱহেলিত হোৱা বিভিন্ন নিম্নবৰ্গীয় শ্ৰেণী আৰু গোষ্ঠীসমূহৰ স্বকীয় চেতনাক ইতিহাসৰ পাতত প্ৰতিষ্ঠা কৰাই আছিল এই ধাৰাৰ ইতিহাস-চৰ্চাৰ প্ৰাথমিক উদ্দেশ্য। নিম্নবৰ্গ (Subaltern) এই শব্দটোৰ ব্যৱহাৰৰ প্ৰসংগ প্ৰথম উত্থাপিত হৈছিল ইটালীৰ কমিউনিষ্ট দলৰ প্ৰতিষ্ঠাতা মাৰ্ক্সবাদী লেখক আৰু দাৰ্শনিক আন্টোনিও গ্ৰামছিৰ ৰচনাত। তেখেতৰ 'কাৰাগাৰৰ টোকাবহী'ত সন্নিৱিষ্ট '*On the Margins of History : History of the Subaltern Social groups*' ৰচনাত মাৰ্ক্সীয় আলোচনাৰ প্ৰসঙ্গত পোনপ্ৰথমবাৰৰ বাবে Subaltern (নিম্নবৰ্গ) শব্দটো ব্যৱহাৰ কৰিছিল। এই ৰচনাত গ্ৰামছিয়ে Subaltern শব্দটো দুটা অৰ্থত ব্যৱহাৰ কৰিছিল। সেয়া হ'ল -- শ্ৰমিক শ্ৰেণী (Proletariat) আৰু শ্ৰেণীবিভক্ত সমাজৰ অনা আধিপত্যকামী (Non-hegemonic) সামাজিক গোষ্ঠী কিছুমানক বুজাবলৈ ব্যৱহাৰ কৰিছিল।[1]

গ্ৰামছিয়ে পুঁজিপতি এখন সমাজ ব্যৱস্থাৰ প্ৰসঙ্গত শ্ৰেণীবিভক্ত সমাজৰ ক্ষমতাৰ বিষয়টোক এটা সামাজিক সম্পৰ্কৰ প্ৰক্ৰিয়াৰ মাজেৰে দাঙি ধৰিছে। তেওঁৰ মতে সমাজৰ এটা মেৰুত থাকে প্ৰভুত্বৰ অধিকাৰী Dominate শ্ৰেণী আৰু আনটো মেৰুত থাকে Dominate শ্ৰেণীৰ অধীনস্থ লোকসমূহ। প্ৰভুত্বৰ অধিকাৰী Dominate শ্ৰেণীৰ অধীনত থকা এই অধীনস্থ শ্ৰেণীসমূহক বুজাবলৈ গ্ৰামছিয়ে Subaltern শব্দটো ব্যৱহাৰ কৰিছিল। সামাজিক ক্ষমতাৰ এক বিশেষ ধৰণৰ বিন্যাস আৰু প্ৰক্ৰিয়াৰ মাজেৰে সমাজত এই অধীনস্থ (Subordinate)লোকসকল শোষিত আৰু শাসিত হৈ থকাৰ কথা গ্ৰামছিয়ে উল্লেখ কৰিছে। গ্ৰামছিয়ে 'কাৰাগাৰৰ টোকাবহী'ত উল্লেখ কৰিছে যে আধুনিক ইটালীৰ শাসকসকলৰ চৰিত্ৰ আৰু বুৰ্জোৱা ৰাষ্ট্ৰৰ স্বৰূপ বুজিবলৈ হ'লে নিম্নবৰ্গীয় শ্ৰেণীৰ ইতিহাস-চৰ্চা কৰাটো অতি প্ৰয়োজন। কিয়নো প্ৰভুত্ববাদী শ্ৰেণীৰ অধীন হৈ থাকিলেও নিম্নবৰ্গীয় শ্ৰেণীসমূহৰ আশা-আকাংক্ষা আৰু চিন্তা-চেতনাৰ এখন স্বতন্ত্ৰ জগত আছে। তেওঁলোকৰ মাজত থকা এই স্বতন্ত্ৰ মানসিকতাৰ ভিত্তিতে প্ৰভুত্ববাদী





শ্ৰেণীৰ সৈতে তেওঁলোকৰ সংঘাত আৰম্ভ হয়। গ্ৰামছিয়ে নিম্নবৰ্গীয়সকলৰ সম্পৰ্কত এটা কথা কৈছে যে -- নিম্নবৰ্গীয় লোকৰ মাজত স্বতঃস্ফূৰ্তভাৱে উন্নত চিন্তাৰ বিকাশ নহয়। বুদ্ধিজীৱীসকলৰদ্বাৰাহে উন্নত চিন্তাৰ উদয় হয় আৰু নিম্নবৰ্গীয়সকল তেওঁলোকৰ দ্বাৰা প্ৰভাৱিত হয়।[2]

গ্ৰামছিয়ে ইটালীৰ ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত গুৰুত্ব দিয়া এনে বিশ্লেষণৰ ভিত্তিতে ভাৰতবৰ্ষতো নিম্নবৰ্গৰ ইতিহাস-চৰ্চাৰ বিষয়টোৱে বিশেষ গুৰুত্ব লাভ কৰিবলৈ ধৰিলে। এইক্ষেত্ৰত প্ৰথমেই নাম ল'ব লাগিব কেনবেৰাৰ অষ্ট্ৰেলিয়ান নেচনেল ইউনিভাৰছিটিৰ অধ্যাপক ৰণজিৎ গুহৰ। ১৯৮২ চনত গুহৰ সম্পাদনাত প্ৰকাশ পায় '*Subaltern Studies : Writings on South Asian History and Society*' নামৰ গ্ৰন্থখনৰ প্ৰথম খণ্ড। ইতিমধ্যে দহটা খণ্ড প্ৰকাশ পোৱা গ্ৰন্থখন প্ৰথম খণ্ডটোত প্ৰকাশ পোৱা গুহৰ 'On Some Aspects of the historiography of Colonial India' নামৰ প্ৰবন্ধটোত তেওঁ ভা ৰতীয় জাতীয়তাবাদী ইতিহাস ৰচনাত দীৰ্ঘদিন ধৰি ঔপনিৱেশিক উচ্চবৰ্ণ আৰু বুৰ্জোৱা জাতীয়তাবাদী উচ্চবৰ্ণৰ আধিপত্য চলি অহাৰ কথা উল্লেখ কৰিছে।[3] ভাৰতবৰ্ষৰ ইতিহাস-চৰ্চাৰ ক্ষেত্ৰত অৱহেলিত হৈ অহা নিম্নবৰ্গীয় বিভিন্ন শ্ৰেণী আৰু গোষ্ঠীৰ কণ্ঠস্বৰ ইতিহাসৰ পাতত প্ৰতিষ্ঠা কৰাই হ'ল বিংশ শতিকাৰ শেষৰ দশকত ভাৰতবৰ্ষত গঢ় লৈ উঠা এই নব্য ইতিহাস-চৰ্চাৰ প্ৰাথমিক উদ্দেশ্য। ঔপনিৱেশিক আৰু উত্তৰ ঔপনিৱেশিক ভাৰতবৰ্ষৰ ইতিহাস আৰু সমাজ-সংস্কৃতিৰ ক্ষেত্ৰত এনে কিছুমান দিশ আছে যি সদায়ে অৱহেলিত তথা অজ্ঞাত। ইতিহাসৰ এই দিশসমূহ গৱেষণামূলক এক স্বকীয় দৃষ্টিভংগীৰে বিচাৰ কৰাৰ উদ্দেশ্য আগত ৰাখিয়ে ভাৰতবৰ্ষত ৰণজিৎ গুহ, পাৰ্থ চট্টোপাধ্যায়, জ্ঞানেন্দ্ৰ পাণ্ডে, শাহিদ আমিন, গৌতম ভদ্ৰ, তনিকা সৰকাৰ আদিয়ে নিম্নবৰ্গীয় ইতিহাস-চৰ্চাৰ ধাৰাটোক আগবঢ়াই নিয়ে।

**২.০ *ফেলানী* উপন্যাসত বৰ্ণিত নিম্নবৰ্গীয় সমাজ ঃ**

অৰূপা পটঙ্গীয়া কলিতাৰ *ফেলানী* উপন্যাসখনৰ পটভূমি হৈছে স্বাধীনতাৰ পৰৱৰ্তী কালৰ অগ্নিগৰ্ভা অসম। স্বাধীনতাৰ পৰৱৰ্তী কালৰ অগ্নিগৰ্ভা অসমে সন্মুখীন হোৱা বিভিন্ন সমস্যা যেনে — ৰাজনৈতিক শোষণ,অৰ্থনৈতিক সমস্যা, বহিৰাগত সমস্যা,ভাষাগত সমস্যা, জাতীয় অস্তিত্ব সংকট আদিয়ে অসমত বিভিন্ন বিদ্ৰোহী দল সংগঠনৰ জন্ম হৈছিল। উপন্যাসখনত ঔপন্যাসিকাই পোনপটীয়াভাৱে অসমত ছাত্ৰ সংগঠনৰ উদ্যোগত গঢ় লৈ উঠা বিদেশী খেদা আন্দোলন, সাৰ্বভৌম ৰাষ্ট্ৰ গঠনৰ দাবীত সশস্ত্ৰ সংগ্ৰামৰ পথ লোৱা আলফা আৰু নিজৰ জাতীয় অস্তিত্বৰ সংকটত ভুগি এখন স্বায়ত্তশাসিত ৰাজ্য গঠনৰ দাবী তোলা বড়ো আন্দোলনৰ কথা উল্লেখ কৰিছে। এই সংগঠনসমূহৰ লক্ষ্য বা উদ্দেশ্য যিয়েই নহওক, তেওঁলোকে আন্দোলনৰ নামত যি কাৰ্যপন্থা লৈছিল সেয়া কেতিয়াও গ্ৰহণযোগ্য নহয়। আন্দোলনৰ নামত কৰা কৰ্মকাণ্ডই অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক জগতত প্ৰভাৱ পেলোৱাৰ লগতে সাধাৰণ মানুহখিনিৰ জীৱনলৈ যি দুৰ্যোগ নমাই আনিছিল তাৰে এক জ্বলন্ত ছবি *ফেলানী*। উপন্যাস যিহেতু কাহিনীধৰ্মী সাহিত্য, গতিকে তাত কল্পনাই প্ৰাধান্য পায়। উপন্যাসখনত কাহিনীৰ কাল্পনিকতাৰ মাজেৰে অসমৰ যিখন সমাজ, সময় আৰু যিবোৰ মানুহৰ কথা উল্লেখ কৰিছে সেইবোৰ যেন সকলোৰে নিচেই চিনাকি। চৰকাৰ প্ৰশাসনৰ সৈতে হোৱা বিদ্ৰোহী সংগঠনৰ সংঘাতৰ বলি হোৱা অসমৰ শোষিত আৰু শাসিত শ্ৰেণীৰ ইতিহাসৰ এক জীৱন্ত ইতিহাস *ফেলানী*।

ফেলানী বৰো ভাষাত জপংকৈ পানীত হোৱা শব্দ। সদ্যোজাত এটা সন্তানক মাতৃৰ বুকুৰপৰা কাঢ়ি লৈ পুখুৰীলৈ দলিয়াই দিয়া কাৰ্যই জাতীয়তাবাদীৰ তেজেৰে তগবগাই থকা ডেকাহঁতৰ ঘৃণনীয় কৰ্মকাণ্ডক উদঙাই দিছে। পৃথিৱীলৈ আহিয়েই এই বিপৰ্যয়ৰ সন্মুখীন হোৱা শিশুটিয়েই হ'ল উপন্যাসৰ মূল নায়িকা ফেলানী। ফেলানীৰ নামেৰে উপন্যাসৰ নামকৰণ কৰিলেও ফেলানী হৈছে সমাজৰ সদায়ে অৱহেলিত আৰু শোষিত নিম্নবৰ্গ শ্ৰেণীৰ প্ৰতিনিধি। নিম্নবৰ্গীয় তত্ত্বই সামাজিক ক্ষমতাৰ এক বিশেষ ধৰণৰ বিন্যাস আৰু প্ৰক্ৰিয়াৰ মাজেৰে সমাজৰ অধীনস্থ লোকসকল কেনেদৰে শোষিত আৰু শাসিত হৈ থাকে, সেয়া বিচাৰ কৰিবলৈ প্ৰয়াস কৰে। উপন্যাসখনতো ফেলানীৰ জন্মসূত্ৰৰ মাজেৰে যদি ইয়াক বিচাৰ কৰি চোৱা হয়, তেন্তে দেখা যায় যে ফেলানীৰ গাতো সমাজৰ প্ৰভুত্বশালী উচ্চবৰ্ণ মৌজাদাৰৰ পৰিয়ালৰ তেজ আছে। কাৰণ ফেলানীৰ আইতাক ৰত্নমালা আছিল মৌজাদাৰৰ আদৰৰ সন্তান। অকালতে বৈধব্য জীৱন লাভ কৰি ঘৰলৈ ঘূৰি অহা ৰত্নমালাই মৌজাদাৰৰ হাতী মাউত কিনাৰাম বড়োৰ প্ৰেমত পৰে আৰু বিবাহপাশত আবদ্ধ হয়। ৰত্নমালা আৰু কিনাৰাম বড়োৰ এই কাৰ্যই উচ্চবৰ্গৰ অভিজাত্যৰ ভেমত গৰ্বিত মৌজাদাৰৰ পৰিয়ালৰ আত্মসন্মানত আঘাত হানে। এগৰাকী কন্যা সন্তান জন্ম দি ৰত্নমালাই মৃত্যুক সাবটি লোৱাৰ পাছতে কিনাৰামকো মৌজাদাৰৰ পৰিয়ালে হত্যা কৰে। ৰত্নমালা আৰু কিনাৰামৰ সন্তান যুতিমালাক লোকচক্ষুৰ আঁতৰত ৰাখিবলৈ বড়োৰ পৰিয়ালে ধানৰ ডুলিত ঢাকি থ'ব লগা হোৱা, মৌজাদাৰৰ ছোৱালীক বিয়া কৰোৱাৰ বাবে মৃত্যুক আঁকোৱালি ল'ব লগা হোৱা কিনাৰামৰ মৃত্যুৱে উদঙাই দিছে নিম্নবৰ্গীয় শ্ৰেণীৰ ওপৰত থকা প্ৰভুত্বশালীসকলৰ আধিপত্যৰ স্বৰূপ। গতিকে সমাজৰ উচ্চ বৰ্গ তথা সামাজিক ক্ষমতাৰে বলীয়ান মৌজাদাৰৰ হাতত কিনাৰাম বড়োৰ দৰে সমাজৰ অধীনস্থ Subordinate লোকসকল শোষিত হৈ আহিছে ,সেই কাহিনীৰ আলমতে *ফেলানী* উপন্যাসৰ কাহিনীভাগ গঢ় লৈ উঠিছে।

ৰণজিৎ গুহকে প্ৰমুখ্য কৰি এই চিন্তা-চৰ্চাৰ সৈতে জড়িত গৱেষকসকলৰ মতে এই তত্ত্বৰ মূল উদ্দেশ্য হৈছে — নিম্নবৰ্গীয় লোকৰ অভিজ্ঞতা আৰু জনসমাৱেশৰ আলোকত জাতীয়তাবাদৰ স্বৰূপ আৰু জাতীয় আন্দোলনৰ অভিজ্ঞতা সমগ্ৰভাৱে উপলব্ধি কৰা। এই উদ্দেশ্যেই উচ্চবৰ্ণৰ ইতিহাস-তত্ত্বৰ অৱহেলিত হৈ থকা নিম্নবৰ্গৰ জীৱন-চৰ্চাৰ সমস্ত দিশ অধ্যয়ন কৰি উচ্চবৰ্ণৰ নিৰংকুশ নেতৃত্বৰ আদৰ্শবাদী ধাৰণাটো বাতিল কৰা।[৪] *ফেলানী* উপন্যাসখনো স্বাধীনতাৰ পৰৱৰ্তী কালত অসমত গঢ় লৈ উঠা জাতীয় আন্দোলনৰ ভেটিত ৰচিত উপন্যাস। অসমৰ শক্তিশালী জাতীয় ছাত্ৰ সংগঠনে গঢ়ি তোলা বিদেশী খেদা আন্দোলনত কিদৰে পেটৰ তাড়নাত দুবেলা দুমুঠি উপাৰ্জনৰ বাবে অসমলৈ আহি বসতি কৰা ভাৰতৰ বিভিন্ন ৰাজ্যৰ লোকসকল আন্দোলনৰ বলি হ'ব লগা হৈছিল তাৰ বৰ্ণনা উপন্যাসখনত পোৱা যায়। কিনাৰাম বড়ো আৰু মৌজাদাৰৰ ছোৱালী ৰত্নমালাৰ জীয়েক যুতিমালাই সংসাৰ গঢ়িছিল পশ্চিমবংগৰপৰা আহি অসমত মিঠাইৰ ব্যৱসায় কৰা সুঠাম ডেকা ক্ষিতীশ ঘোষৰ লগত। যুতিমালাৰ গাত আছে মৌজাদাৰৰ ঘৰৰ তেজ আৰু ক্ষিতীশ পশ্চিমবংগৰপৰা অহা বঙালী লোক। আনহাতে মৌজাদাৰৰ পুতেক এজন আন্দোলনৰ ডাঙৰ নেতা। গতিকে এই সকলোবিলাক কথাৰ পাকঘূৰণিয়ে সিহঁতি বাস কৰা গাঁওখনৰ মানুহৰ মনত এক ভয় আৰু ত্ৰাসৰ সৃষ্টি কৰি থাকে। সিহঁতি নিশ্চিত যে—

"*এইখন গাঁৱলৈ সিঁহত আহিবই। ইয়ালৈকে বিয়া হৈ আহিছিল ৰত্নমালাৰ জীয়েক যুতিমালা। যুতিমালা ইয়াতে মিঠাই কাৰিকৰৰ গৃহিণী হৈছিল। ইয়াতেই আছে যুতিমালাৰ জীয়েক।*" (ফেলানী, পৃ. ৪৯)





আন্দোলনৰ ঢৌৱে সিহঁতি বাস কৰা ঠাইখনকো সহজেই আগুৰি ধৰিলে। সন্তান প্ৰসৱৰ যন্ত্ৰণাত কেঁকাই থকা যুতিমালাক ঘৰত থৈ বাহিৰৰ পৰিস্থিতি চাবৰ বাবে ঘৰৰপৰা ওলাই যোৱা ক্ষিতীশ ঘোষ আৰু ঘূৰি নাহিল। আন্দোলনৰ বলি হ'ল। যুতিমালাও এই আন্দোলনৰ ৰোষৰ পৰা সাৰি নগ'ল। তাই জন্ম দিয়া সদ্যোজাত সন্তানক আন্দোলনকাৰীয়ে পুখুৰীলৈ দলিয়াই দিছিল, তায়ে হ'ল ফেলানী। এই ফেলানীয়ে লম্বোদৰ কোঁচৰ সৈতে বিয়া হৈছিল।

ছাত্ৰ সংগঠনৰ এই জাতীয়তাবাদী আন্দোলনত কেৱল অসমত বহিৰাগতসকলেই যে ৰোষৰ বলি হ'ব লগা হৈছিল এনে নহয়, পেটৰ ভাত মুঠিৰ তাড়নাত জীয়াই থকা ভূ-ভাৰস্তৰ খবৰ নোপোৱা আমাৰে জ্ঞাতি ভাই লম্বোদৰ কোঁচ, পৰেশ বৈশ্য, বুলেন বড়োৰ দৰে বহুজনৰ জীৱনত আন্দোলনৰ জুই লাগিল। ঘৰ মাটি উচন হ'ল। শাৰীৰিক কষ্টৰ লগতে আপোনজনক হেৰুৱাই তেওঁলোক দিশহাৰা হৈ পৰিল। ফেলানীয়ে যিদৰে লম্বোদৰ কোঁচৰ সন্ধান নাপাই হাহাকাৰ কৰি উঠিছে, তেনেদৰে বীৰেন বৈশ্যৰ ঘৈণীয়েকে সন্তানক হেৰুৱাই হাহাকাৰ কৰি উঠিছে --

"*মোৰ কপালত জুই লাগিল, পাঁচটা পো-পোৱালিৰ দুটা আছে, বাকি কেইটা ক'লৈ গ'ল ক'ব নোৱাৰোঁ।*" (পৃ. ৩২)

ফেলানী বা মামণিৰ মাকৰ জীৱনত লগা এই আন্দোলনৰ জুই আন হাজাৰজন মানুহৰ জীৱনত লাগিল। সকলোৰে হেবাং বুলি ভবা ৰঘুৱেও আন্দোলনৰ চাক্ষুস অভিজ্ঞতা বৰ্ণনা কৰি গ'ল --

"*দলনত মানুহ ... মূল নাই ... চকু নাই ... মলি বাবাক জুই ... ।নামঘৰত জুই... তহঁতল ঘলত জুই.... দাদু-দিদাল মূল ... ছাগলী মূল ... লঙা লঙা তেজ। ... মানুহ, বহুত মানুহ.... মূল নাই, চকু নাই, মুখ নাই... ক'লা কাপোৰ।*" (পৃ. ৩৮)

ইতিহাসতত্ত্বৰ চিৰাচৰিত যি আলোচনা তাত অসমৰ বিদেশী খেদা আন্দোলন, জাতীয়তাবাদী আন্দোলনৰ কথা চন, তাৰিখ, মাহ-বছৰ আন্দোলনৰ নেতৃত্ব বহনকাৰীসকলৰ জাতীয়তাবাদৰ কথা লিপিবদ্ধ হৈছে। কিন্তু ৰঘু, ফেলানী, বুলেনহঁতৰ দৰে সাধাৰণ মানুহখিনিয়ে লাভ কৰা আন্দোলনৰ অভিজ্ঞতাসমূহ ইতিহাসৰ পাতত সদায়ে অৱহেলিত। এই নিম্নবৰ্গীয় লোকসকলৰ অভিজ্ঞতাৰে যদি জাতীয় আন্দোলনবোৰক বিচাৰ কৰি চোৱা হয়, তেতিয়াহে ইতিহাসৰ বুকুত খোদিত হৈ থকা জাতীয়তাবাদী আন্দোলনৰ প্ৰকৃত স্বৰূপক অধ্যয়ন কৰিব পৰা যাব। *ফেলানী* উপন্যাসখনতো ঔপন্যাসিকাই নিম্নবৰ্গীয় সমাজৰ লোকসকলৰ আন্দোলনৰ জীয়া অভিজ্ঞতাৰ মাজেৰে অসমত জাতীয়তাবাদী আন্দোলনৰ নামত যে আন্দোলনৰ নেতৃত্ববহনকাৰী লোকসকলে এক নৃশংস হত্যাযজ্ঞ চলাইছিল তাৰ বৰ্ণনা দাঙি ধৰিছে। জাতীয়তাবাদী আদৰ্শৰ মুখাপিন্ধা তেওঁলোকৰ প্ৰকৃত স্বৰূপ আন্দোলনৰ বলি হোৱা এই নিম্নবৰ্গীয় লোকসকলৰ অভিজ্ঞতা, জীৱন-চৰ্যাৰ মাজেৰে ঔপন্যাসিকাই তুলি ধৰিবলৈ সক্ষম হৈছে।

### ৩.০ *ফেলানী* উপন্যাসত বৰ্ণিত নিম্নবৰ্গীয় সমাজৰ নাৰীৰ স্বাস্থ্য ঃ

সুস্থিৰভাৱে এটা স্বাভাৱিক জীৱন কটাবলৈ মানুহৰ শাৰীৰিক আৰু মানসিক সুস্বাস্থ্যৰ প্ৰয়োজন। অসমত সংঘটিত জাতীয়তাবাদী আন্দোলনৰ ফলত ঠাইবিশেষে মানুহে নিজৰ ঘৰ-ভেটি-মাটি, আপোনজনকে যে হেৰুৱাইছিল এনে নহয়, তেওঁলোকৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যতো ইয়াৰ প্ৰভাৱ পৰিছিল। আন্দোলনৰ জুয়ে শৰীৰত দিয়া ঘা টুকুৰা পথ্যৰে শুকুৱাব পাৰি, কিন্তু মনৰ ঘা টুকুৰা শুকুৱাব নোৱাৰি। যেনেদৰে বুলেন বড়োৰ পত্নী সুমলাই মানসিক ভাৰসাম্য হেৰুৱাই পেলোৱাৰ কথা উপন্যাসখনত পোৱা যায়। উপন্যাসখনত বৰ্ণিত নিম্নবৰ্গীয় সমাজখনৰ নাৰীৰ

স্বাস্থ্য সম্পৰ্কে যদি বিচাৰ কৰা হয়, তেন্তে এনে দিশবোৰ সততে চকুত পৰে --

### ৩.১ নাৰীৰ দৈহিক স্বাস্থ্য ঃ

### ৩.১.১ শিবিৰৰ অস্বাস্থ্যকৰ পৰিৱেশ ঃ

আন্দোলনৰ জুয়ে খেদা মানুহবোৰৰ বাবে প্ৰশাসনে অস্থায়ী শিবিৰ নিৰ্মাণ কৰিছে। পূৰ্ণগৰ্ভা ফেলানীও মণি আৰু গাওঁবাসীৰ সহযোগত এই অস্থায়ী শিবিৰ পালেহি। অচেতন হৈ পৰা ফেলানীয়ে চকু মেলি দেখিলে --

" .... *তাই এখন কেম্পখাটত শুই আছে, চাৰিওফালে মাটিয়ে-বালিয়ে, বস্তাই-বিছনাই পৰি থকা এজাক মানুহ। প্ৰায়বোৰৰে মূৰে-হাতে-ভৰিয়ে আঘাতৰ চিন। ....ঔষধৰ গোন্ধ ভেদি তাইৰ নাকত লাগিল পায়খানা আৰু পেচাবৰ কৰ্কৰা গোন্ধ, পেটটো পকাই উঠিল। পেটত হাত দি তাইৰ খেয়াল হ'ল পেটৰটোৰে একেবাৰে লৰ-চৰ কৰা নাই।*" (পৃ. ৩০)

ক্ষীতিশ ঘোষৰ লগত বিবাহ পাশত আবদ্ধ হৈ ফেলানীৰ মাক যুতিমালা হৈছিলগৈ বঙালীৰ বোৱাৰী। জন্ম হৈয়ে মাক দেউতাকক হেৰুৱা ফেলানীয়ে মাকৰ স্মৃতি হিচাপে হাতত পিন্ধি আছিল দুপাত শাখা। যাৰবাবে শিবিৰত ফেলানীয়ে সঠিক সময়ত উপযুক্ত চিকিৎসাৰপৰা বঞ্চিত হৈছিল। শিবিৰত যেতিয়া তাইক বগা কোট পিন্ধা ল'ৰাহঁতে আপুনি কি মানুহ? বুলি প্ৰশ্ন কৰিছিল, তাইৰ চকুৰ আগেদি কেইবাখনো মুখে অগা-দেৱা কৰিছিল --

"*তাইৰ চকুৰ আগেদি পাৰ হৈ গ'ল ৰত্নমালা হাতীৰ ওপৰত উঠি থকা বড়ো ডেকা কিনাৰাম, ডিঙিত কৰ্দৈমণি এধাৰ পিন্ধি মৌজাদাৰৰ তনয়া ৰত্নমালা, ভয়দৰ নোহোৱা শিলিগুৰীয়া ডেকা ক্ষীতিশ, য'লৈকে যায় তাতে ৰাজহাঁহ এজনী হৈ জিলিকি থকা মাক যুতিমালা, তাইক তুলি-তালি ডাঙৰ-দীঘল কৰা ৰতন খুৰা আৰু বিন্দুখুৰী, কাৰ কথা কয় তাই? নে তাইক সেন্দূৰ পিন্ধাই অনা লম্বোদৰৰ কথা কয়?*"(পৃ. ৩২)

সেই সময়ত পৃথিৱীৰ আটাইতকৈ সহজ প্ৰশ্নটোৰ উত্তৰ দিবলৈ গৈ ফেলানী থমকি ৰ'ব লগা হৈছিল। মানুহৰ পৰিচয় জাত-পাত, বৰ্ণই যদি নিৰ্ধাৰণ কৰে, তেন্তে মানুহৰ মাজত থকা প্ৰেম, মৰম, ভালপোৱা আদি মানৱতাবোধবোৰ ক'লৈ গ'ল? অজানিতে তাইৰ মুখৰপৰা এটা শব্দ ওলাই আহিল 'মানুহ'। যি জাত-পাত, সম্প্ৰদায়ৰ পৰা সকলোৰে উৰ্দ্ধত। কিছুদিনৰ পিছত অস্থায়ী চিকিৎসা শিবিৰতে ফেলানীয়ে এজনী মৃত ছোৱালী জন্ম দিলে--

"*ভিজি থকা এমূৰ ক'লা চুলি, অকণ অকণ হাত-ভৰিৰে অকণমান ছোৱালী এজনী ...গাৰ বৰণটো নীলা পৰি আহিছে, জঠৰ হাত-ভৰিবোৰৰ ছাল কোঁচ খাই পৰিছে। তাই হাত মেলি ছোৱালীজনী এবাৰ চুই চালে, চেঁচা। ঠিক শিল এটাৰ দৰে।*" (পৃ. ৪০)

ফেলানীহঁত থকা অস্থায়ী চিকিৎসা শিবিৰবোৰৰ পৰিৱেশো ক্ৰমান্বয়ে এজাক বৰষুণতে কদৰ্য ৰূপ ল'বলৈ ধৰিলে। শিবিৰৰ কদৰ্য ৰূপৰ বৰ্ণনা উপন্যাসখনত এনেদৰে পোৱা যায়—

"*গাঁত পায়খানাবোৰ কেতিয়াবাই নোহোৱা হ'ল, তাৰ ঠাইত এতিয়া এখন থেপথেপীয়া গুৱনি, ওপৰত ৰ'দ দিলে ক'লা চামনি এটা পৰে .... সৰ্বত্ৰ এক বিষ্ঠাৰ গোন্ধ বিয়পি থাকে। গুৱনিখনত এক ক'লা বগা পোক হৈছে। অকণমান বৰষুণ দিলেই জাকে জাকে পোকবোৰ বিয়পি পৰি কিলবিলাই থাকে। চালিবোৰৰ প্লাষ্টিকবোৰ ফুটিছে, ৰ'দ বৰষুণ একোকে ৰক্ষা নকৰে। শিবিৰৰ আধা মানুহ গৈছেগৈ। থকাখিনিক বেমাৰে ধৰিছে। এবাৰ তেজ হাগনী হ'ল, এবাৰ বমি পায়খানা, এবাৰ জ্বৰ।*" (পৃ. ৪২)





সন্তান জন্ম দি নিজৰ শাৰীৰিক অসুস্থতাকো আওকাণ কৰি ঘৰ, ভেটি আৰু স্বামী-সন্তানক হেৰুৱাই একমাত্ৰ সন্তান মণিকো দুবেলা দুমুঠি ভাতৰ যোগান ধৰিব নোৱাৰা এগৰাকী নাৰীৰ এনে অস্বাস্থ্যকৰ পৰিৱেশত জীয়াই থকাৰ সংগ্ৰামৰ কাহিনীয়ে আন্দোলনৰ বলি হোৱা প্ৰতিগৰাকী নিম্নবৰ্গীয় সমাজৰ নাৰীৰ জীৱনচৰ্যাকে দাঙি ধৰিছে।

### ৩.১.২ অসুৰক্ষিত যৌনাচাৰ ঃ

*ফেলানী*ত ঔপন্যাসিকাই নিম্নবৰ্গীয় সমাজখনক পেটৰ ক্ষুধাৰ লগে লগে দেহৰ ক্ষুধায়ো তেওঁলোকক কেতিয়াবা যে বিপথে পৰিচালিত কৰে তাৰো ইংগিত দিছে। বৈধ আৰু অবৈধ অসুৰক্ষিত যৌনাচাৰে নাৰীৰ স্বাস্থ্যত কেনেদৰে প্ৰভাৱ পেলাব পাৰে সেই কথা জগুৰ ঘৈণীয়েক, ৰত্না, মিনতি আদি চৰিত্ৰসমূহৰপৰা জানিব পাৰি।

নিম্নবৰ্গীয় সমাজত জগু বা জগুৰ ঘৈণীয়েকৰ দৰে লোকসকল জীৱনৰ কোনো ক্ষেত্ৰতে সচেতন নহয়। দেহৰ সাময়িক সুখ লাভ কৰিবলৈ গৈ জগুৰ ঘৈণীয়েক জৰায়ুৰ ৰোগত ভূগিব লগা হ'ল। জগুৰ ঘৈণীয়েকে ফেলানীক তাইৰ বেমাৰটোৰ সম্পৰ্কত কৈছে—

"*তিনিবাৰ গা নোহোৱাৰ কাৰণে । এনেই পেটত পাঁচটা ছলি ধৰিছো, তাৰ উপৰি তিনিবাৰ গা খহাইছো। সেই কাৰণেই এইবোৰ বেমাৰে ধৰিলে।*" (পৃ. ১০১)

তেনেদৰে উপন্যসখনত বৰ্ণিত মিনতি আৰু ৰত্নাৰ চৰিত্ৰটিৰ কথা ক'ব পাৰি। আন্দোলনৰ সৈতে জড়িত জাতীয়তাবাদী নেতাৰ প্ৰলোভনত পৰি মিনতি আৰু ৰত্নাই অবৈধ সন্তানৰ বোজা বহন কৰিব লগা হৈছে। জাতিপ্ৰেম, সাৰ্বভৌম ৰাষ্ট্ৰৰ কথা কোৱা নেতাসকলৰ এনে কু-কৰ্মই তেওঁলোকৰ আদৰ্শবাদী চৰিত্ৰৰ ফোপোলা স্বৰূপটোক দাঙি ধৰিছে। অসুৰক্ষিত যৌনাচাৰৰ ফলতে বনকৰা ছোৱালী হিচাপে থকা মিনতিয়ে অবৈধ মাতৃত্বৰ বোজা চিৰজীৱন কঢ়িয়াব লগা হৈছে। আনহাতে ৰত্নায়ো ক্ষন্তেকীয়া সপোনত মজি ঘৰৰপৰা ওলাই গৈ নাৰীৰ সৰ্বস্ব হেৰুৱাব লগা হৈছিল। চাৰিমহীয়া অবৈধ মাতৃত্বৰ বোজা লৈ ঘৰলৈ ঘূৰি অহা ৰত্নাক মাকে বনৌষধিৰে মাতৃত্বৰ বোজাৰপৰা মুকলি কৰিছিল যদিও তাইৰ স্বাস্থ্যত ইয়াৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছিল। তেজ গৈ গৈ শুকান হৈ পৰা ৰত্নাৰ দেহাটোলৈ লক্ষ্য কৰি মিনতিয়ে দেখিলে—

"*তাই বহি থকা ঠাইখিনিত ভাঙি দিয়া মেলা জিকাৰ পৰা ওলোৱা বিজলুৱা ৰসৰ দৰে ঘোলা মটীয়া বস্তু অলপ মাটি ভিজাই তুলিছে। তাইৰ নাকত এটা পুঁজৰ গোন্ধ লাগিল। ঠিক পুঁজ নহয় গেলা তেজ-পুঁজ একেলগে ওলালে হোৱা এটা গোন্ধ। এইটো গোন্ধ বস্তিৰ প্ৰায়বোৰ মাইকী মানুহৰে চিনাকী।*" (পৃ. ২২৫)

পুৰুষশাসিত সমাজ এখনত সৰহসংখ্যক নাৰীয়ে পুৰুষৰ অধীন। অশিক্ষিত এই নাৰীসকল পদে পদে পুৰুষৰ ছলনা আৰু কামনাৰ বলি হ'ব লগা হয়। সুৰক্ষিত যৌনভোগ সম্পৰ্কে তেওঁলোকে সম্পূৰ্ণ অজ্ঞ। সেয়েহে অসুৰক্ষিত যৌনাচাৰে নাৰীৰ স্বাস্থ্যৰ অৱনতি ঘটোৱাৰ লগতে তেওঁলোকৰ জীৱনলৈয়ো অমানিশা নমোৱাই আনিব পাৰে। তাৰে জ্বলন্ত উদাহৰণ উপন্যাসখনত জগুৰ পত্নী, মিনতি, ৰত্না আদিৰ জীৱন কাহিনীৰ মাজেৰে দাঙি ধৰিছে।

**৩.২ নাৰীৰ মানসিক স্বাস্থ্য ঃ**

**৩.২.১ জাতীয়তাবাদী আন্দোলনৰ প্ৰভাৱ ঃ**

উপন্যাসখনত জাতীয়তাবাদৰ নামত আন্দোলনকাৰীসকলে যি হত্যাযজ্ঞ চলাইছিল, তাৰ চাক্ষুষ অভিজ্ঞতাই বহুজনৰে মানসিক সন্তুলন হেৰুৱাই পেলাইছিল। উপন্যাসখনিত বৰ্ণিত এনে এটা চৰিত্ৰ হৈছে বুলেন বড়োৰ পত্নী সুমলা দাস। কৰ্মঠ ডেকা বুলেনে বিয়া কৰোৱা সুমলা হ'ল অঞ্চলৰ জনাজাত বামপন্থী কৰ্মী মাধৱ দাসৰ ভগ্নী। জননেতা হিচাপে মাধৱ দাসক এচাম মানুহে যেনেদৰে ভাল পায়, আন এচাম মানুহে তেওঁক বেয়া পায়। মাধৱ দাসক এচামে বেয়া পোৱাৰ কাৰণটো হ'ল— মাধৱ দাস আৰু তেওঁৰ পাৰ্টিৰ কৰ্মীয়ে মাটি দখলৰ আন্দোলনত জয়ী হৈ কেইজনমান কৃষকক মাটিৰ দখলী স্বত্ব ঘূৰাই দিছিল। তেতিয়াৰপৰা মাধৱ দাস এচামৰ কাল শত্ৰুত পৰিণত হ'ল। বুলেন আৰু সুমলাৰ প্ৰথম সন্তানৰ মুখত ভাত দিয়া অনুষ্ঠানলৈ মাধৱ দাস পাৰ্টিৰ কৰ্মী ৰত্নেশ্বৰ বৈশ্যৰ লগত সিহঁতৰ ঘৰত ভৰি থোৱাৰ কিছুসময়ৰ পাছতে অবৰ্ণনীয় অঘটনটো ঘটিছিল—

"*মোমায়েকে ভাগিনীটোৰ মুখত তাৰ প্ৰথম অন্ন তুলি পায়স এচামুচ তুলি দিব খুজিছিল। সেইখিনি সময়তে 'জয় আই অসম'ৰ ধ্বনি তুলি এজাক ল'ৰাই বুলেনৰ ঘৰখন ঘেৰি পেলালে..... দাস আৰু বৈশ্যক সিহঁতজাকে হাত ভৰি বান্ধি গলত ৰচি বান্ধি চোঁচোৰাবলৈ ধৰিলে।.... ৰাং কুকুৰজাকে মানুহ দুজনৰ হাত-ভৰিৰ আঙুলি টুকুৰা-টুকুৰকৈ কাটি কুকুৰক খাবলৈ দিলে।... খা ঐ বদনৰ মাংস, টেষ্ট আছে।*" (পৃ. ৪৭)

মাধৱ দাস আৰু ৰত্নেশ্বৰ বৈশ্যৰ আন্দোলনকাৰীৰ হাতত মৃত্যু হ'ল। নিজৰ চকুৰ সন্মুখতে ককায়েক নৃশংস হত্যাকাণ্ডৰ বলি হ'ব লগা হ'ল, সুমলাই মানসিক ভাৰসাম্য হেৰুৱাই পেলালে। সুমলা পাগলী হ'ল। এদিন দেশৰ ৰক্ষকৰ হাততে ধৰ্ষিতা হৈ তাইৰ মৃত্যু হ'ল।

সুমলাৰ দৰে ফেলানী, বীৰেন বৈশ্যৰ পত্নী, কালী বুঢ়ী আদিৰ মানসিক জগতত আন্দোলনৰ প্ৰভাৱ কিদৰে পৰিছিল, তাৰ আভাস উপন্যাসখনত পোৱা যায়। সন্তানসম্ভৱা ফেলানীয়ে পুত্ৰ মণিৰ হাতত ধৰি শিবিৰ পোৱালৈকে আন্দোলনৰ যিকুৰা জুই পাৰ হৈ আহিছিল তাৰ অভিজ্ঞতাই তাইক চেতন আৰু অৱচেতন মনতে অনবৰতে খেদি ফুৰিছিল। চুলিখিনি আঁচুৰি তাই সেওঁতাত সেন্দূৰ অকণমান ল'বলৈ মামণিৰ মাকৰ ওচৰলৈ যাব বুলি ভাবি ৰৈ গ'ল। তাইৰ কাণত বাজি উঠিল ৰঘু বেঙাৰ ৰ নথকা শব্দবোৰ.....

"*মলি বাবা পুখুলীল পলা নামঘল ... মূল নাই, চকু নাই, মলি বাবাক .... । তাইৰ গাটোৰ ভিতৰত পাক খাই উঠিল এটা বেঙা মানুহৰ অদ্ভুত গেঙনি, মূৰৰপৰা ভৰিলৈকে গেঙনিটো নামি যায়। আকৌ ভৰিৰ পৰা উঠি আহে।*" (পৃ. ৪১)

এফালে খাদ্য, বস্ত্ৰ আৰু মূৰৰ ওপৰত চালখনৰ অভাৱ, বুকুৰ আপোনজনক হেৰুৱাৰ দুখ, অন্ধকাৰ এটা ভৱিষ্যতক লৈ জীয়াই থকা এগৰাকী নাৰীৰ মানসিক জগতত জাতীয়তাবাদী আন্দোলনে কেনেদৰে মোক্ষম আঘাত হানিছিল উল্লিখিত উক্তিটো তাৰ এক উদাহৰণহে মাত্ৰ।





**৩.২.২ পাৰিবাৰিক সংঘাতৰ প্ৰভাৱ ঃ**

মৰম, ভালপোৱা, বিশ্বাস, প্ৰেম আৰু এজনে আনজনৰ প্ৰতি থকা সন্মান আৰু শ্ৰদ্ধাৰ মনোভাৱেহে ঘৰুৱা জীৱন এটা মোহময় কৰি তুলে। নিম্নবৰ্গীয় সমাজ এখনত এনে প্ৰেম-ভালপোৱাৰ অনুভূতিয়ে গাৰ্হস্থ্য সুখ ল'বলৈ তেওঁলোকৰ সময়ে বা ক'ত? এইখন সমাজত নিতৌ ভাত-কাপোৰৰ চিন্তা। পুৰুষৰ সমানে সমানে নাৰীসকলেও উপাৰ্জন কৰিব ল'গা হয়। নিম্নবৰ্গীয় সমাজ এখনত পুৰুষতকৈ নাৰীসকলেহে নিজৰ সন্তান আৰু পৰিয়ালক পোহপাল দিয়াৰ ক্ষেত্ৰত বেছি সচেতন। ৰাতিপুৱা শুই উঠাৰ পৰা সকলোৰে দুপইচা আৰ্জনৰ বাবে কৰা শাৰীৰিক শ্ৰম আৰু ৰাতি যৌনসুখ এইয়াই হৈছে তেওঁলোকৰ স্বাভাৱিক জীৱন। এইখন সমাজত পুৰুষৰ সমানে সমানে পৰিয়াল পোহপাল দিয়াত কষ্ট স্বীকাৰ কৰিলেও পুৰুষৰ দ্বাৰা নাৰীসকল প্ৰায়ে দলিত হ'ব লগা হয়। ইয়াৰ ফলস্বৰূপেই পৰিয়ালবোৰত পাৰিবাৰিক সংঘাতে গঢ় লৈ উঠে। তদুপৰি পতি-পত্নীৰ মাজত বিশ্বাসৰ অভাৱ, পৰকীয়া প্ৰেম, অভাৱ-অনাটন, ৰুগ্নস্বাস্থ্য, সন্তানৰ মাক-দেউতাকৰ প্ৰতি অসহানুভূতিশীল আচৰণ আদি বিভিন্ন কাৰকে পৰিয়ালসমূহৰ মাজত পাৰিবাৰিক সংঘাতৰ সৃষ্টি কৰে। এই ঘৰুৱা সংঘাতে নাৰীৰ মানসিক স্বাস্থ্যত্বে বিৰূপ প্ৰভাৱ পেলায়। *ফেলানী* উপন্যাসখনতো এনে বহু নাৰী চৰিত্ৰ আছে, যিয়ে মনৰ ভিতৰত এটুকুৰা কেঁচা ঘা লৈ পতি আৰু পৰিয়ালৰ সৈতে স্বাভাৱিক জীৱন কটাই আছে। উপন্যাসখনত বৰ্ণিত এনে এটি চৰিত্ৰ হৈছে জোনৰ মাক। জোনৰ দেউতাক এজন হাপানী ৰোগী। গতিকে জোনৰ মাকেই ঘৰখনৰ ভাত-কাপোৰৰ পৰা আৰম্ভ কৰি ঔষধলৈকে চিন্তা কৰিব লাগে। দিনৰ দিনটো বজাৰত বস্তু বেচি ভাগৰুৱা দেহাৰে ঘৰলৈ ঘূৰি অহা মানুহগৰাকীয়ে স্বামীৰ পৰা মৰমৰ মাত এষাৰো নাপায়। বেমাৰী স্বামীয়ে পুৰঠ মানুহজনীৰ দেহাটোক অবিশ্বাসৰ দৃষ্টিৰে চায় তাইক কটাক্ষ কৰে-

"*চালি বজ্জাতী মাইকী.... ঘৰত বেমাৰী মানুহটো পৰি আছে..... তাই মৰেগৈ ক'ত.... ।*"(পৃ. ৬৯)

এগৰাকী নাৰীৰ বাবে ইয়াতকৈ দুখ আৰু অপমানৰ কথা একো হ'ব নোৱাৰে। জোনৰ মাকৰ প্ৰতি দেউতাকৰ বিশ্বাসৰ অভাৱে তেওঁলোকৰ ঘৰুৱা জীৱনটো বিষময় কৰি তুলিছে।

তেনেদৰে জগুৰ ঘৈণীয়েকো জৰায়ুৰ অসুখত ভুগি জগুক যৌনসুখ দিব নোৱাৰা হ'ল। জগুৱেও পত্নীৰ সন্মুখতে ড্ৰাইভাৰণীৰ ঘৰলৈ অহা-যোৱা কৰিবলৈ ধৰিলে। স্বামীৰ এই পৰস্ত্ৰীগামী স্বভাৱে এগৰাকী পত্নীৰ মনত কেনেদৰে আঘাত হানিব পাৰে জগুৰ ঘৈণীয়েকে মণিৰ মাকৰ আগত ব্যক্ত কৰা এই কথাষাৰেই প্ৰমাণ --

"*দেহাৰ জ্বালা সহিব পাৰি কিন্তু মনটোৰ জ্বালা সহিবলৈ বৰ টান অ' মণিৰ মাক।.... মই যেতিয়া নাৰিকল ৰুকি, পটাত বাটি পাছদিনাৰ দোকানৰ বাবে এইটো লৈ সন্দেশ লাড়ু বনাই থাকো মোৰ মৰদে ৰেণুৰ তাত মৌজ কৰে। দিনটোৰ কামানি তাইৰ হাতত দি আহি মোৰ ঘৰত লাঠি-গোৰ মাৰে, ভাত-ভাতকৈ থকা ছলিক কোবায়।*" (পৃ.১০২)

স্বামীৰ পৰস্ত্ৰীগামী স্বভাৱে জগুৰ ঘৈণীয়েকৰ দৰে মীৰাৰ মাকো পতিৰ দ্বাৰা কেনেদৰে পদে পদে শাৰীৰিক আৰু মানসিক আঘাত পাব লগা হৈছিল তাৰ বৰ্ণনা উপন্যাসখনত বৰ্ণনা পোৱা যায়।

উপন্যাসখনিত বৰ্ণিত ৰত্নাৰ মাকো পতিৰ অকথ্য মানসিক নিৰ্যাতনে জুৰুলা কৰা এটা চৰিত্ৰ। ল'ৰা সন্তান এটা জন্ম দিব নোৱাৰাৰ কাৰণে স্বামীৰ লগতে নিজৰ সৰুজনী ছোৱালীৰ পৰাও তাই মনোকষ্ট পাব লগা হৈছে। তেওঁৰ ডাঙৰ ছোৱালীজনী চহৰৰ মানুহৰ ঘৰত বনকৰা ছোৱালী। ৰত্নাৰ মাকেও মুড়ি ভাজি, মূঢ়া সাজি দিনৰ দিনটো বজাৰত বিক্ৰী কৰি ঘৰখন চলালেও অভাৱে জুৰুলা কৰা ঘৰত স্বামীৰ এটাই অভিযোগ --

*"মোৰ ল'ৰাটো বাচি থাকিলে ডেকা হৈ কামানি কৰিলেহেঁতেন। কিমান দিন অকণমান মাছৰ গোন্ধ পোৱা নাই। মোৰ কপালত এনে অমঙ্গলীয়া মাইকী, পেটত ল'ৰা ধৰিও মাৰি পেলায়।"* (পৃ. ১১৫)

আনৰ ঘৰত বন কৰি দুহাত চিৰাল-ফটা হাতেৰে উপাৰ্জন কৰা ছোৱালীৰ টকাৰে ঘৰ চলোৱা পিতৃয়ে ল'ৰা এটাৰ কাৰণে হামৰাও কাঢ়ে। সৰু ছোৱালী ৰত্নাও অবুজন। বিচৰা বস্তুটো নাপালে তায়ো বাপেকৰ দৰেই মাকক মানসিক আঘাত হানে--

*"কামানি কৰা দাদা এটা থাকিলে মই কি লোকৰ পেলাই দিয়া কাপোৰ পিন্ধিব লাগিলহেঁতেন।"* (পৃ. ৯৩)

সন্তান জন্ম দি দেহা কোঙা হৈ পৰা মানুহগৰাকীক স্বামী আৰু সন্তানে প্ৰতি মূহুৰ্ততে মৃত সন্তানলৈ মনত পেলাই দিয়াত মানসিক যন্ত্ৰণাত তাই চটফটাই উঠে। মণিৰ মাকৰ আগত তাই নিজৰ মনোকষ্ট এনেদৰে ব্যক্ত কৰিছে --

*"এটা ল'ৰা জনম দিব নোৱাৰিলোঁ। অম্বিকা আৰু ৰত্নাৰ মাজত দুটা নষ্ট হ'ল, ৰত্নাৰ পাছত আৰু দুটা। শেষৰটো ল'ৰা আছিল মণিৰ মাক, ছমাহত গা খহিছিল। মই নিজেই ল'ৰাটো পুতি থৈ আহিছিলোঁ। এই গা খহা বেমাৰটোৱেই মোক শেষ কৰিলে।"* (পৃ. ৯৩) নিম্নবৰ্গীয় সমাজ এখনত শাৰীৰিক আৰু মানসিক আঘাতে জুৰুলা কৰা এয়াই হৈছে নাৰীৰ জীৱন। যি মৰি মৰিও জীয়াই থাকে।

**৩.৩ নাৰীসকলৰ স্বাস্থ্যৰ প্ৰতি অসচেতন মনোভংগী ঃ**

জীয়াই থকাৰ তাড়নাত মানুহৰ অতি প্ৰয়োজনীয় অন্ন, বস্ত্ৰ, বাসস্থানৰ কাৰণেই নিম্নবৰ্গীয় সমাজখনে গোটেই জীৱন সংগ্ৰাম কৰি যাব লগা হয়। *ফেলানী* উপন্যাসতো আন্দোলনত সৰ্বস্বান্ত হোৱা এনে এচাম মানুহৰ জীৱনৰ প্ৰতিচ্ছবিকে তুলি ধৰিছে। ফেলানী, ৰত্নাৰ মাক, মিনতি, জোনৰ মাক আদি নাৰীসকলে পৰিয়াল আৰু সন্তানৰ ভাত-কাপোৰৰ চিন্তাতে সদা ব্যস্ত। সমাজত ঘটি থকা বিভিন্ন ঘটনা পৰিস্থিতিয়ে তেওঁলোকক খন্তেক প্ৰভাৱিত কৰিলেও তেওঁলোকৰ মন-মগজুত এটাই মাত্ৰ চিন্তা, সেয়া হ'ল -- পেটৰ ক্ষুধা। দুদিনীয়া লঘোণৰ পেটত এমুঠি শুকান মুড়ি আৰু নিমখ দিয়া চাহপানীকণ, জলকীয়া এটাৰে কৰ্কৰা ভাতমুঠিও তেওঁলোকৰ কাৰণে অমৃত সদৃশ। গতিকে সুস্বাস্থ্যৰ কাৰণে প্ৰয়োজনীয় পুষ্টিকৰ খাদ্য খোৱাটো তেওঁলোকৰ কাৰণে এটা অলীক কল্পনা। স্থানীয় বজাৰখনত, লগতে মানুহৰ ঘৰে ঘৰে মুড়ি, নাৰিকলৰ লাড়ু, আচাৰ, হাবিৰ কচু-ঢেকীয়া বেচিয়ে ফেলানী, মিনতি, জোনৰ মাক, কালী বুঢ়ী, ৰত্নাৰ মাক আদিয়ে নিজৰ লগতে পৰিয়ালটো পোহপাল দি আহিছে। অশিক্ষিত সমাজৰ নিম্নবৰ্গীয় শ্ৰেণীৰ এই লোকসকলে ৰাতিপুৱাৰে পৰা দিনৰ দিনটো কামৰ পাছত দৌৰি ফুৰি নিজৰ স্বাস্থ্যৰ যতনৰ কথা পাহৰি যায়। কাৰণ কাম নকৰিলে তেওঁলোকৰ পেট নভৰে। জগুৰ ঘৈণীয়েকৰ জীৱনটোৱে তাৰ সাক্ষ্য দাঙি ধৰে। জৰায়ুৰ অসুখত ভোগা মানুহজনীয়ে উন্নত চিকিৎসাৰ অবিহনেই আলাই-আথানি হৈ মৃত্যু মুখত পৰিব লগা হয়। জগুৰ ঘৈণীয়েকে মণিৰ মাকক কৈছে --

*"যন্তৰ দি জৰায়ুটো ভিতৰলৈ ঠেলি দিছিলে? আকৌ ওলাই আহিল। ডাক্তৰে কৈছে মচলা নবটিবা, দমকল নামাৰিবা, ভাৰী বস্তু নুটুলিবা, নাৰিকল নুৰুকিবা। ক' মণিৰ মাক, এইবোৰ নকৰিলে মোৰ চলিব? দিনে মই বিছটা ত্ৰিছটা নাৰিকল ৰোকো, ৰোকা নাৰিকল পটাত বাটোঁ। নহ'লে চাউলমুঠি ক'ৰ পৰা ওলাব?"* (পৃ. ১০১)

জগুৰ পত্নীৰ এই কথাষাৰৰ মাজেদিয়ে প্ৰকাশ পাইছে নিম্নবৰ্গীয় সমাজৰ নাৰীৰ জীৱন-চৰ্যা। এনে জীৱন-চৰ্যাত স্বাস্থ্যৰ প্ৰতি সচেতন হ'বলৈ তেওঁলোকৰ সময় বা অৱকাশ ক'ত?





**৪.০ সামৰণি ঃ**

*ফেলানী* উপন্যাসখনত অসমৰ মানুহৰ মনত সদায়ে সজীৱ হৈ থকা তেজে ধোৱা অসমৰ ইতিহাসক নিম্নবৰ্গীয়, দলিত, শোষিত মানুহৰ জীৱন সংগ্ৰামৰ কাহিনীৰ মাজেৰে ঔপন্যাসিকাই সাৱলীলভাৱে উপস্থাপন কৰিছে। এয়া ঔপন্যাসিকাৰ সাহসিকতা আৰু সৃষ্টিশীলতাৰে পৰিচায়ক। অসমত গঢ় লৈ উঠা বিভিন্ন জাতীয়তাবাদী আন্দোলনৰ পটভূমিত নিম্নবৰ্গীয় সমাজৰ নাৰীসকলৰ জীৱন চৰ্যা আৰু তেওঁলোকৰ চিন্তা-চেতনাই উপন্যাসখনত প্ৰাধান্য লাভ কৰিছে। ভাত মুঠিৰ কাৰণে অহৰহ সংগ্ৰাম কৰা এই নাৰীসকল সমাজত সদায়ে অৱহেলিত। সকলো কষ্ট স্বীকাৰ কৰি দুহাত আঁজুৰি উপাৰ্জন কৰা নাৰীসকল পুৰুষশাসিত সমাজত সদায়ে শোষিত, লাঞ্ছিত হৈ আহিছে। তেওঁলোকে সততে ভোগ কৰিব লগা হয় দৈহিক আৰু মানসিক কষ্ট। সন্তান আৰু পৰিয়ালৰ চিন্তাতে নিমজ্জিত এই নাৰীসকলৰ নিজৰ স্বাস্থ্যৰ প্ৰতি চিন্তা কৰিবলৈ সময় নাই। তেওঁলোকৰ জীৱন যেন কেৱল আনৰ বাবেই উৎসৰ্গিত; কিন্তু এইখন সমাজৰে কালীবুঢ়ী আৰু মণিৰ মাক ফেলানীয়ে পুৰুষশাসিত সমাজৰ বান্ধোনৰপৰা নিজক উলিয়াই আনিবলৈ সক্ষম হৈছে। নাৰী সদায়ে মেম জলকীয়াৰ দৰে হ'ব লাগে। দেখাত সৰু; কিন্তু মুখত দিলেই জ্বালা বুলি কোৱা কালীবুঢ়ীয়ে সময়ে সময়ে জঁটাধাৰী ৰূপ লৈছে। ফেলানীয়ে জীৱনত ঘটি যোৱা ইমানবোৰ ঘাত-প্ৰতিঘাতৰ পিছতো একমাত্ৰ সন্তান মণিকে বুকত সাবটি তাক মানুহ হোৱাৰ শিক্ষা দিছে। মিনতিয়েও ক'ব পাৰিছে মোক এনে এজন পুৰুষ লাগে, যাৰ মৰম আৰু ভালপোৱাৰে ভৰা এখন বহল হৃদয় আছে। গতিকে সমাজত সদায়ে দৈহিক আৰু মানসিকভাৱে শোষিত নাৰীসকলৰ চিন্তা-চেতনাত গঢ়ি উঠা এক নাৰীবাদী চেতনাৰ ভাবো উপন্যাসখনিত বৰ্ণিত নিম্নবৰ্গীয় নাৰীসকলৰ জীৱন কাহিনীৰ মাজত পৰিলক্ষিত হয়। গতিকে নিম্নবৰ্গীয় সমাজৰ বিভিন্ন দিশসমূহ সূক্ষ্ম দৃষ্টিভংগীৰে উপস্থাপন কৰা অৰূপা পটঙ্গীয়া কলিতাৰ *ফেলানী* উপন্যাসখন একবিংশ শতিকাৰ অসমীয়া উপন্যাস সাহিত্যৰ এক ব্যতিক্ৰমী সংযোজন।

**প্ৰসংগ সূত্ৰ ঃ**

[১] কমল কুমাৰ তাঁতী, *নিম্নবৰ্গ সমাজ ঐতিহ্য*, পৃ. ০৩
[২] উল্লিখিত, পৃ. ০৪
[৩] উল্লিখিত, পৃ. ০১
[৪] উল্লিখিত, পৃ. ০৮

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

কলিতা, অৰূপা পটঙ্গীয়া, *ফেলানী*, পঞ্চম সংস্কৰণ,জ্যোতি প্ৰকাশন ঃ গুৱাহাটী, ২০১৪
তাঁতী, কমল কুমাৰ, *নিম্নবৰ্গ সমাজ ঐতিহ্য*, আখৰ প্ৰকাশন ঃ গুৱাহাটী, ২০০৭